# সম্পাদকীয়

**অধ্যয়নৰ প্ৰয়োজনীয়তা ঃ**

পাঠ্যপুথি খৰচি মাৰি অধ্যয়ন কৰাৰ প্ৰয়োজনীতাৰ বিষয়ে পঢ়ুৱৈ অথবা পঢ়ুওতাক নকৈ কিবা কোৱাৰ বিশেষ প্ৰয়োজন নাই। কিন্তু বৰ্তমানে দেশ তথা সমাজত প্ৰতি মুহূৰ্ততে দেখা দিয়া অশান্তিকৰ আৰু ভয়ঙ্কৰ অৱস্থাৰ পৰিপ্ৰেক্ষিতত দেশ বা সমাজৰ পৰিস্থিতি অধ্যয়ন কৰাৰ প্ৰয়োজনীয়তাৰ বিষয়ে দুআষাৰ কোৱাৰ প্ৰয়োজন আছে। যিবিলাক ব্যক্তি, সংগঠন, ৰাজনৈতিক দল-উপদল অথবা প্ৰচাৰ মাধ্যমে উদ্দেশ্য প্ৰণোদিতভাৱে দেশ বা সমাজত এনে অৱস্থাৰ সৃষ্টি কৰে সেইসকলৰ বা সেইবোৰৰ বাবে শুভ বুদ্ধিৰ আশু উদয় কামনা কৰি আমি আমাৰ আলোচনাৰ লক্ষ্যত লৈছো সেইসকলক যি নিজৰ বিচাৰ-বুদ্ধিক অকামিলা কৰি অশুভ অৱস্থাৰ সৃষ্টিকৰ্তাৰ হাতৰ পুতলা হৈ খোজেপতি বিপথে পৰিচালিত হয় আৰু নিজৰ লগতে দেশ আৰু সমাজৰ বাবে ভয়ঙ্কৰ বিপদ মাতি আনে। আমাৰ ধাৰণাত পৰিস্থিতিৰ সম্যক অধ্যয়নৰ অক্ষমতাই ইয়াৰ এটা মূল কাৰণ। ঘটনা, পৰিস্থিতি বা সমস্যা সম্পৰ্কে যেতিয়া কাৰোবাৰ সম্যক ধাৰণা নাথাকে তেতিয়া তেনে ব্যক্তি উদ্দেশ্য প্ৰণোদিত অশুভ শক্তিৰ সহজ চিকাৰ হোৱাৰ সম্ভাৱনাই বেছি। অভিজ্ঞতাত অপৰিপক্ক আৰু বয়সত কোমলমতীয়া যুৱ সমাজৰ একাংশ আজি এনে এচাম নিৰীহ চিকাৰ।

কোনো ঘটনা, পৰিস্থিতি অথবা সমস্যা সম্পৰ্কে সমাক ধাৰণা আয়ত্ত কৰাৰ এক নিৰ্ভৰযোগ্য উপায় হ'ল সত্যাশ্ৰিত, নিৰপেক্ষ, সুচিন্তিত গ্ৰন্থ, আলোচনী, বাতৰিকাকত আদিৰ লিখনি অধ্যয়ন। অসত্য, অতিৰঞ্জিত, পক্ষপাতদুষ্ট লিখনিয়ে সমাজৰ বিভিন্ন স্তৰৰ পাঠকৰ ওপৰত সময়ে সময়ে প্ৰতিকূল প্ৰভাৱ পেলাই ৰাজনৈতিক অথবা সামাজিক জীৱন বিপৰ্যস্ত কৰাৰ লগতে দেশ আৰু জগতৰ বাবে কেনে সুদূৰ প্ৰসাৰী আৰু অপূৰণীয় ক্ষতিৰ বাট মুকলি কৰি থৈ যায় তাক সম-সাময়িক বাতৰিকাকত, আলোচনী আদিৰ লগত সম্পৰ্ক থকা প্ৰতিগৰাকী ধীমান পাঠকে তৎকালীনভাৱে আৰু সৰ্বসাধাৰণ পাঠকে দেৰিকৈ হলেও উপলব্ধি কৰিব পাৰে বা কৰি আহিছে। বিভিন্ন আলোচনী, বাতৰি কাকত আদিত সমস্যা একোটাৰ ওপৰত আলোকপাত কৰি লিখা লিখনি চালি-জাৰি পঢ়ি চোৱাৰ প্ৰয়াস কৰিলে বহু সময়ত সচেতন পাঠকে নিজে সমস্যা বা ঘটনা একোটাৰ সমাক ধাৰণা কৰি ল'ব পাৰে আৰু সেই অনুযায়ী নিজৰ সিদ্ধান্ত আৰু স্থিতি স্থিৰ কৰি ল'ব পাৰে। তেনে ধাৰণা কৰি লোৱাত অসুবিধা হ'লে উপযুক্ত ব্যক্তিৰ উপদেশ অনুযায়ী অধ্যয়ন কৰা যুগুত। তাকে নকৰি অশুভ শক্তিয়ে আবুৰৰ পৰা হাতৰ ইঙ্গিতেৰে

উঠা-বহা কৰোৱা বাতৰিকাকত, আলোচনী আদিৰ উদ্দেশ্য প্ৰণোদিত বাতৰি, আলোচনী আদি পঢ়ি অথবা সাম্প্ৰদায়িকতাবাদ, উগ্ৰ জাতীয়তাবাদ, উগ্ৰ আঞ্চলিকতাবাদ আদিক লক্ষ্যত ৰাখি পৰিচালিত হোৱা বাতৰিকাকত বা আলোচনী আদিৰ লিখনি পঢ়ি প্ৰভাৱান্বিত হৈ আবেগ সৰ্বস্ব কাৰ্যপন্থা হাতত ললে নিজৰ, সমাজৰ বা দেশৰ কাৰো যে উপকাৰ সাধন নহয় বৰং প্ৰভূত ক্ষতিৰ বোজা সকলোৱে মূৰ পাতি ল'ব লগীয়া হয় তাক সময়ে সময়ে নিকাৰূপত প্ৰমাণ কৰি আহিছে। আমি আশা কৰিছো, সুচিন্তিত, সত্যাশ্ৰিত আৰু নিৰপেক্ষ বাতৰি, লিখনি, আলোচনা–সমালোচনা আদি অধ্যয়নৰ বাবে সৰ্বসাধাৰণ ৰাইজ আৰু বিশেষকৈ উঠি অহা যুৱক-যুৱতী আৰু ছাত্ৰ–ছাত্ৰী অধিক আগ্ৰহী হ'ব আৰু সমাজ তথা দেশ গঢ়াত গঠনমূলক ভূমিকা গ্ৰহণ কৰিব।

## সংস্কৃতি নে অপসংস্কৃতি ঃ

উৎসৱ-পৰ্ব জাতীয় সংস্কৃতিৰ অপৰিহাৰ্য অঙ্গ। কিন্তু কিছুমান উৎসৱ-পৰ্ব আজি কিছু বছৰৰ পৰা যি ধৰণে উদ্‌যাপন কৰা পৰিলক্ষিত হৈছে তালৈ চাই সেইবোৰক অপসংস্কৃতিৰ নামান্তৰ বুলিহে ক'বলৈ মন যায়। এনে উৎসৱ সমূহৰ ভিতৰত পোনতে আমাৰ সাতামপুৰুষীয়া অতিকে চেনেহৰ ৰঙালী বিহুটিৰ নামকেই উল্লেখ কৰিব লাগিব। ৰঙালী বিহুৰ ভালে কিছুদিন আগৰ পৰাই চান্দা তোলাৰ কাম আৰম্ভ হয়। আৰু প্ৰত্যেকে নিশ্চয় লক্ষ্য কৰিছে এই কাম কৰোঁতে চান্দা তোলাসকলৰ কিছুমানে কেতিয়াবা কেতিয়াবা ভদ্ৰজনোচিত আচৰণ পৰ্যন্ত পাহৰি পেলায়। ৰাস্তাই–ঘাটে য'তে ত'তে যাত্ৰীবাহী বাছ, মালবাহী ট্ৰাক, আনকি ব্যক্তিগত যান-বাহনো বে–আইনীভাবে ৰখাই সাধাৰণতে কেইজনমান কিশোৰ বা যুৱকে কোনো সময়ত যান-বাহনৰ মালিক বা চালক-কৰ্মচাৰীৰ ইচ্ছাৰ বিৰুদ্ধে আৰু কোনো সময়ত কাজিয়াৰ পৰ্যায়লৈ গৈ চান্দা আদায় কৰা আজিকালি বিহুৰ আগৰ দিনবোৰত সঘনাই পৰিলক্ষিত হোৱা একোটা দৃশ্য। ব্যৱসায়ী, চাকৰিয়াল অথবা গৃহস্থক নিজ খুচিৰে চান্দাৰ শকত অঙ্ক একোটা লিখি ৰচিদ আগবঢ়াই দি পইচা আদায় কৰাটোও চান্দা তোলাৰ আজিকালি আন এক প্ৰচলিত ঢং। আজিকালি আগৰ তুলনাত চহৰে–নগৰে, গাঁৱে ভূঁয়ে বিহুতলীৰ সংখ্যা বহু গুণ বৃদ্ধি পাইছে। নিচেই নিলগতে একো একোখন বিহুতলী। এনে অৱস্থাত একোজন ব্যৱসায়ী, একোজন চাকৰিয়াল, একোজন গৃহস্থ অথবা একোখন যানবাহনৰ মালিক–কৰ্মচাৰীয়ে প্ৰায় একে সময়তে কেবাখনো বিহুতলীত বহু সময়ত ইচ্ছাৰ বিৰুদ্ধে অথবা কেতিয়াবা জোৰ–জুলুমৰ বশৱৰ্তী হৈয়ো চান্দা দিবলগীয়া হয়। ফলস্বৰূপে সাধাৰণ চাকৰিয়াল, ক্ষুদ্ৰ ব্যৱসায়ী বা নিম্ন আয়ৰ গৃহস্থ এজনৰ মূৰত কেনে মাধমাৰ পৰে তাক কোৱাৰ প্ৰয়োজন নাই। উচ্চ আয়ৰ ব্যক্তি, অনুষ্ঠান

প্ৰতিষ্ঠানবোৰেও ইচ্ছাৰ বিৰুদ্ধে শকত অঙ্কৰ চান্দা আদায় দিবলগীয়া হলে নিশ্চয় সুখী অনুভৱ কৰিব নোৱাৰে। চান্দা আদায়ৰ এই ঢং অকল বঙালী বিহুৰ ক্ষেত্ৰতে নহয়, দুৰ্গাপূজা আদিৰ নিচিনা উৎসৱৰ ক্ষেত্ৰতো পৰিলক্ষিত হয়।

আমাৰ মতে চান্দা বা অৰিহণা দাতাৰ সামৰ্থ্য আৰু ইচ্ছা অনুযায়ী ল'ব লাগে। দাতাৰ অনিচ্ছাত বা দাতাক জোৰ-জুলুম কৰি চান্দা আদায় কৰা কোনোপধ্যেই বাঞ্ছনীয় নহয়। ৰাইজৰ উৎসৱত ৰাইজকে যদি অসন্তুষ্ট কৰি ধন গোটোৱা হয় তেনেহ'লে সেই ধনেৰে পতা উৎসৱ একোটাত ৰাইজৰ কিমানখিনি আন্তৰিকতা থাকিব? জাতীয় সংস্কৃতি জীয়াই ৰাখিবলৈ পতা এই উৎসৱবোৰত এনেবোৰ কাৰ্য সংস্কৃতিৰ অনুকূল নে? অসমৰ বাহিৰৰ যিবিলাক লোক এনেবোৰ জোৰ-জুলুমৰ চিকাৰ হৈছে তেওঁলোকৰ দৃষ্টিত আমাৰ সাতামপুৰীয়া আৰু অতি আদৰৰ উৎসৱ একোটাৰ সন্মান অৱনমিত হোৱা নাই নে? অথচ বহু সময়ত দেখা আৰু শুনা যায় যে চান্দা আদায়কাৰীসকলে অথবা উৎসৱ উদ্‌যাপন কমিটিৰ কৰ্মকৰ্তা সকলে উৎসৱৰ পিচতেতো নহয়ে, বছৰৰ পিছত বছৰ ধৰি টকা-পইচাৰ হিচাপ দিয়াৰ প্ৰয়োজনবোধ নকৰে। চান্দা আদায় কৰা দিন ধৰি উৎসৱ শেষ হৈ যোৱাৰ পিছলৈ কমিটিৰ সদস্যসকলে ৰাজহুৱা ধনৰ শ্ৰাদ্ধ কৰি দলেবলে হোটেল, ৰেষ্টুৰা বা ৰাজহুৱা স্থানত ইচ্ছা পূৰাই ভূৰি-ভোজন কৰি চান্দা আদায় কৰাৰ ভাগৰ পলুৱাৰ অভিযোগো প্ৰায়ে শুনা যায়। পৰিতাপৰ কথা এই যে ৰাইজৰ ধনেৰে পতা এইবোৰ জাতীয় উৎসৱৰ মঞ্চত সংস্কৃতিৰ স্বৰূপ কিন্তু বহু সময়ত বিকৃত ৰূপতহে প্ৰকাশ পায় বা প্ৰদৰ্শিত কৰা হয়। হুচৰি, বিহু গীত, বিহু নৃত্য, সত্ৰীয়া নৃত্য আদিৰ কিম্ভূত-কিমাকাৰ পৰম্পৰাহীন পৰিবেশনত বিজ্ঞ সমালোচক, সচেতন দৰ্শক আজি অতিষ্ঠ—সংস্কৃতিৰ অৱক্ষয় দেখি বিলুপ্তিৰ আশঙ্কাত শঙ্কিত। হেজাৰ হেজাৰ টকা ভৰি নিমন্ত্ৰণ কৰি অনা নগৰীয়া শিল্পী কিছুমানে আজিকালি মঞ্চত অসমীয়া আধুনিক গীত বুলি যিবোৰ গীত পৰিবেশন কৰে সেইবোৰৰ কিছুমানত পৰিলক্ষিত হয় সস্তীয়া হিন্দী বা ইংৰাজী গীতৰ অক্ষম খাপচাৰা অনুকৰণ আৰু বিভিন্ন বাদ্যযন্ত্ৰৰ অত্যধিক অবাধ ব্যৱহাৰ। ব্যৱহাৰ নুবুলি কিছুমান ক্ষেত্ৰত বাদ্যযন্ত্ৰৰ অত্যাচাৰ বুলি ক'লেও কিজানি ভুল নহ'ব। কিছুমান শিল্পীৰ কণ্ঠৰ ভাষা আৰো বাদ্যযন্ত্ৰই এনেদৰে গ্ৰাস কৰি পেলায় যে সেইবোৰক কণ্ঠ সংগীত নুবুলি যন্ত্ৰসংগীত বোলাহে উচিত যেন লাগে। অসমীয়া গীতৰ ভাব-ভাষা, অনুভূতি আদিৰ লগত জীণ যোৱা, খাপ খোৱা দেশ-বিদেশৰ বিভিন্ন প্ৰান্তৰ লোকসুৰৰ সম্পদ আহৰণৰ ক্ষেত্ৰত আমাৰ যেনেকৈ দ্বিমত নাই, অসমীয়া গীতৰ লগত খাপচাৰা সুৰ আৰু বাদ্যযন্ত্ৰৰ প্ৰয়োগ বা ব্যৱহাৰত আছে আমাৰ বিতৃষ্ণা, ক্ষোভ আৰু দুৰ্ঘোৰ আপত্তি। এই প্ৰসঙ্গতে কাঠফুলাৰ দৰে সৃষ্টি হোৱা গীতৰ কেছেট কিছু-মানৰ সন্দৰ্ভতো দু-আষাৰ কোৱাৰ প্ৰয়োজন অনুভৱ কৰা হ'ল। বিহুগীতৰ বা বিহুসুৰীয়া

গীতৰ, লোকগীতৰ বা লোকসুৰীয়া গীতৰ কেছেট বুলি সম্প্রতি বজাৰত এনে কিছুমান কেছেট বিক্রী কৰা হৈছে যে সেইবোৰত উল্লেখিত গীতৰ প্রয়োজনীয় গুণ বিলাকতো নায়েই, বহু সময়ত সেইবোৰ হৈছে অশালীন, শ্রুতিকটু আৰু অত্যন্ত নিম্নৰুচিসম্পন্ন। কিছুমান অসমীয়া আধুনিক গীতৰ অৱস্থাও তদনুৰূপ। অথচ এইবোৰ কেছেটো এক শ্রেণী শ্রোতাৰ মাজত সমাদৃত হৈছে। সংস্কৃতিক বিকৃত কৰাত এইবোৰ কেছেটে যে যথেষ্ট বৰঙণি যোগাব তাত সন্দেহ নাই। সুৰুচিসম্পন্ন আৰু সচেতন ৰাইজৰ প্রত্যক্ষ আৰু পৰোক্ষ হস্তক্ষেপৰ অবিহনে এই অৱস্থাৰ পৰা নিষ্কৃতি পোৱা সম্ভৱ নহয়।

সংস্কৃতিৰ সন্দৰ্ভত ওপৰত কৰা আলোচনাৰ ভিত্তিত আমি বিনম্রভাবে আমাৰ মনত জগা গোটাদিয়েক প্রশ্নৰ অৱতাৰণা কৰিব খুজিছোঁ। সেইবোৰ এনেকুৱা: একোটা সৰু অঞ্চলত কেবাখন বিহুতলী বা পূজা মণ্ডপ পতাৰ সলনি এখনকৈ পাতিব নোৱাৰিনে? তেনে কৰিলে হোৱা আৰ্থিক ৰাহিৰ বাবে একোখন বিহুতলী বা একোখন পূজা মণ্ডপৰ সৌষ্ঠৱ দুগুণে বৃদ্ধি পোৱাৰ লগতে অঞ্চল বিশেষতে গঢ় লৈ উঠিব পৰা সম্ভাব্য বিভাজনমুখী মনোভাব এটাও বোধ কৰিব পৰা নাযাবনে? জোৰ-জুলুমৰ সলনি দাতাৰ সামৰ্থ্য আৰু সদিচ্ছালৈ লক্ষ্য ৰাখি চান্দা আদায় কৰা মনোভাব এটা গঢ়ি ল'ব নোৱাৰিনে? একেবাৰে অসমৰ্থজনক বাদ দি অঞ্চল বিশেষৰ ধনী-দুখীয়া সকলোখিনি ৰাইজৰ পৰা সামৰ্থ্য আৰু ইচ্ছা অনুযায়ী দিয়া যিকোনো পৰিমাণৰ চান্দা গ্রহণ কৰি জাতীয় উৎসৱ একোটাত সকলোকে জড়িত কৰি সেই উৎসৱক নিজৰ উৎসৱ বুলি ভবাৰ অৱকাশ এটা দি সকলোৱে অকপট আন্তৰিকতা আদায় কৰাৰ প্রচেষ্টা এটা চলাব নোৱাৰিনে? একোটা ৰাতিৰ এঘণ্টা বা দুঘণ্টামানৰ অনুষ্ঠান এটাৰ বাবে হেজাৰ হেজাৰ টকা ভৰি দূৰৈৰ শিল্পী একোজনক নিমন্ত্রণ কৰি অনাৰ সলনি স্থানীয় শিল্পীৰ দ্বাৰা প্রয়োজনবোধে সামান্য মাননিৰ বিনিময়ত সাংস্কৃতিক অনুষ্ঠানসমূহ পৰিবেশন কৰিব নোৱাৰিনে? তেনে কৰিলে স্থানীয় শিল্পীসকলক উৎসাহ দিয়াৰ লগতে বহু ৰাজহুৱা ধনবো অপচয় ৰোধ নহ'বনে? উৎসৱৰ তাৎপৰ্য ৰাইজক বিশেষকৈ উঠি অহা চামক বুজাবলৈ গুণী-জ্ঞানী ব্যক্তি বিশেষক নিমন্ত্রণ কৰি একোখন আলোচনা সভা একোটা উৎসৱৰ লগত অপৰিহাৰ্যভাবে আৰু গুৰুত্ব সহকাৰে আয়োজন কৰাৰ ব্যৱস্থা কৰিব নোৱাৰিনে?

**পৰীক্ষা পদ্ধতি সন্দৰ্ভত দুআষাৰ:**

মহাবিদ্যালয় সমূহৰ উচ্চতৰ মাধ্যমিক প্রথম বাৰ্ষিক শ্রেণীৰ কাৰণে অথবা উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহৰ একাদশ শ্রেণীৰ কাৰণে আগতে শিক্ষাবৰ্ষৰ অন্তত ফাইনেল পৰীক্ষা পতা হোৱা নাছিল; উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ পৰা পঠিওৱা প্রশ্ন কাকতেৰে মহাবিদ্যালয় অথবা উক্ত বিদ্যালয় সমূহত বাৰ্ষিক পৰীক্ষা পতা হৈছিল আৰু নিজ অনুষ্ঠানৰ শিক্ষকৰ দ্বাৰা উত্তৰ কাকতসমূহ

পৰীক্ষা কৰাই পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হৈছিল। উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলে পিচৰ শিক্ষাবৰ্ষৰ অন্ততহে ফাইনেল পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিছিল আৰু 'ডিভিজন' আদি সেই পৰীক্ষাৰ ফলাফলৰ ভিত্তিতহে ঘোষণা কৰা হৈছিল। আন কথাত, চূড়ান্ত বা ফাইনেল পৰীক্ষাৰ ফলাফল ঘোষণা কৰোতে উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ বাবে নিৰ্দ্ধাৰণ কৰি দিয়া পাঠ্যক্ৰমৰ দুই ভাগৰ এভাগৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰা সফলতাক বিবেচনাত লোৱা হৈছিল। ফলস্বৰূপে, মেধাৱী আৰু সঁচা আন্তৰিকতা থকা ছাত্ৰ ছাত্ৰীৰ বাহিৰে বাকীখিনি ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম বছৰৰ পাঠ্যক্ৰমক গুৰুত্ব সহকাৰে লোৱাৰ তাগিদা অনুভব কৰা নাছিল—যেনে তেনে পাচ কৰা নম্বৰটো লৈ পিছৰ শ্ৰেণীটোলৈ উত্তীৰ্ণ হোৱাৰ লক্ষটোহে সমুখত ৰাখি পঢ়া শুনা কৰিছিল। ফলস্বৰূপে, সাধাৰণ ভাৱে একাংশ ছাত্ৰ-ছাত্ৰীৰ শিক্ষাগত বিকাশ ব্যাহত হোৱাৰ উপৰিও দুয়োটা শ্ৰেণীৰ পাঠ্যক্ৰমৰ মাজত সম্পৰ্ক থকা কিছুমান বিষয়ৰ ক্ষেত্ৰত পিচৰ বছৰৰ পাঠ্যক্ৰমৰ পাঠ গ্ৰহণ কৰিবলৈ বহু ছাত্ৰ-ছাত্ৰী অপাৰগ হৈ পৰিছিল আৰু সেয়ে দ্বিতীয় বছৰত প্ৰথম বছৰৰ পাঠ্যক্ৰমৰ পাঠ আয়ত্ত কৰাৰ কাৰণে কিছুমানে 'প্ৰাইভেট টিউচনত' আদি লৈ অতিৰিক্ত শ্ৰম কৰাৰ লগতে খৰচান্তও হ'ব লগীয়া হৈছিল। এনেকুৱা এটা ব্যৱস্থা চলি থাকোতে উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে ততাতৈয়াকৈ এই বছৰ (১৯৯৪ চন) পৰা প্ৰথম বছৰৰ অন্তত হ'বলগীয়া বাৰ্ষিক পৰীক্ষাটো ফাইনেল পৰীক্ষা হিচাপে পতাৰ ব্যৱস্থা কৰিলে। অৱশ্যে জনামতে দ্বিতীয় বছৰৰ অন্তত হ'বলগীয়া ফাইনেল পৰীক্ষাৰ ফলাফলৰ ভিত্তিতহে 'ডিভিজন' আদি ঘোষণা কৰা হ'ব। আন কথাত, সংসদে এইবেলিও প্ৰথম বছৰৰ পাঠ্যক্ৰমত ছাত্ৰ-ছাত্ৰীয়ে দেখুৱা সফলতাক দ্বিতীয় বছৰৰ মূৰত হ'ব-লগীয়া ফাইনেল পৰীক্ষাৰ ফলাফল ঘোষণা কৰাত বিবেচনা কৰিবলৈ প্ৰয়োজন অনুভৱ কৰা নাই।

এনেকুৱা এটা অৱস্থাৰ পৰিপ্ৰেক্ষিতত স্বাভাৱিকতে আমাৰ মনলৈ অহা প্ৰশ্ন কেইটা হ'ল: (১) এটা পাঠ্যক্ৰমৰ একাংশত ছাত্ৰ-ছাত্ৰীয়ে দেখুৱা সফলতাক চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰোঁতে আওকাণ কৰাৰ কিবা যুক্তি আছেনে? (২) মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰাৰ পিচত নতুন পৰিবেশ নতুন পাঠ্যক্ৰম আদিৰ লগত মোকাবিলা কৰি লৈ প্ৰথম বছৰতে এটা ফাইনেল পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ ছাত্ৰ-ছাত্ৰীসকলে হাতত পোৱা সময় পৰ্যাপ্ত নে? (৩) প্ৰথম বছৰটোৰ বাৰ্ষিক পৰীক্ষা সংসদৰ প্ৰশ্ন কাকত অথবা মহাবিদ্যালয়/উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহে নিজাববীয়াকৈ কটা প্ৰশ্ন কাকতেৰে পাতি দ্বিতীয় শিক্ষাবৰ্ষৰ অন্তত সম্পূৰ্ণ পাঠ্য-ক্ৰমটোৰ ওপৰত এটা ফাইনেল পৰীক্ষা পতাত অসুবিধা কি? (৪) প্ৰথম বছৰতে অযথা (?) ফাইনেল পৰীক্ষা এটা অনুষ্ঠিত কৰাত ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ অযথা ভৰণি হোৱাৰ উপৰিও সংসদৰ অফিচ, শিক্ষানুষ্ঠানৰ অফিচ আদিৰ কাম-কাজ বৃদ্ধি পোৱাৰ লগতে বিভিন্ন প্ৰকাৰে ৰাজহুৱা ধনৰ অপচয় হোৱা নাইনে?

আমি আশা কৰিছোঁ, আমাৰ মনত উদয় হোৱা প্ৰশ্নসমূহ চালি-জাৰি চাই সংশ্লিষ্ট কৰ্তৃপক্ষই উপযুক্ত কাৰ্যপন্থা হাতত ল'ব।

## স্মৰণীয় ঃ

পৰম্পৰৰ ভোগ-লিপ্সাই এটা গুৰুত্বপূৰ্ণ ভূমিকা লৈ তিৰোতাক অৰ্হতাহীন কৰি তুলিছে বুলি বেছিকৈ বুজাই নকলেও হ'ব। নাৰীয়ে পুৰুষক আপোন কলা-কৌশলেৰে অজ্ঞানিতভাৱে বহুত ধৰণেৰে বন্দী কৰি থৈছে আৰু পুৰুষেও 'মই বৰ' ভাব লৈ সমানে অজ্ঞানিতভাৱে তিৰোতাক পুৰুষতকৈ ওপৰলৈ উঠাত বাধা প্ৰদান কৰিবলৈ চেষ্টা কৰিছে। ফলত অচলাৱস্থাৰ সৃষ্টি হৈছে। এই দৃষ্টিভংগীৰে চালে ই এটা ডাঙৰ সমস্যা হৈ পৰে—এই সমস্যা সমাধান কৰিবলৈ ভাৰত-মাতাৰ জ্ঞানলব্ধ জীয়ৰীসকলক আহ্বান কৰা হৈছে। তেওঁলোকে পশ্চিমৰ ধৰণ-কৰণ অনুকৰণ কৰিব নেলাগে। পশ্চিমৰ নীতি, পশ্চিমীয়া পৰিবেশতহে খাপ খাব। আমাৰ সংস্কৃতিৰ উত্তম কথাবোৰ সংৰক্ষণ কৰিবলৈ আৰু আমাৰ অধঃপতনমূলক নীচ কথাবোৰ নিঃসংকোচে আঁতৰ কৰিবৰ কাৰণে শক্তিশালী, সংযমী, পবিত্ৰ আৰু ধীৰ স্থিৰ কৰ্মী থাকিব লাগিব। এই কাম সীতা, সাবিত্ৰী, দময়ন্তীৰ লেখীয়া নাৰীৰ কাম। এই কাম কৰিবলৈ বলিষ্ঠা নাৰীও নালাগে, এই কাম কৃত্ৰিম নৈতিকতাৰে চাল-চলন কৰা নাৰীৰো নহয়।

—মহাত্মা গান্ধী

······দাৰিদ্ৰ আৰু দুখ-ভোগ, মই হ'লে কেতিয়াও প্ৰশংসা কৰিব নোৱাৰোঁ। সেয়া কাম্য বস্তু বুলি মই কেতিয়াও নেভাবোঁ। মোৰ মতে সিহঁত লুপ্ত হৈ যোৱাহে উচিত। গাই-গুটীয়াকৈ কাৰোবাৰ পক্ষে ভাল হ'লেও সামাজিক আদৰ্শ হিচাপে তপস্বী-জীৱনৰ সাৰ্থকতা মই বুজি নেপাওঁ। সৰলতা, সমতা, আত্মসংযমৰ মূল্য আৰু মৰ্যাদা বুজি পাওঁ, কিন্তু দেহটোক কষ্ট দিয়াৰ অৰ্থ বুজি নেপাওঁ। ব্যায়াম-বীৰে যেনেকৈ শৰীৰটো নিয়মৰ মাজেদি গঢ়ি তুলিব-লগীয়া হয়, তেনেকৈয়ে মই বিশ্বাস কৰোঁ, মন আৰু অভ্যাসবিলাক নিয়ন্ত্ৰণ কৰি শাসনলৈ আনিব লাগিব। যি মানুহৰ সংযম অতি কম, সি বিপদৰ সময়ত দুখ সহ্য কৰিব বা অসাধাৰণ আত্মসংযম দেখুৱাব, বা বীৰৰ দৰে কাম কৰিব, সেইটো বিশ্বাস কৰিব নোৱাৰি। শৰীৰ ভাল কৰিবৰ হ'লে যেনেকৈ নিয়ম পালন কৰিবলগীয়া হয়, চৰিত্ৰ ভাল কৰিবৰ হ'লেও তেনেকৈ নিয়মৰ আৱশ্যক। কিন্তু তাৰ অৰ্থ তপস্বী জীৱন বা আত্ম-পীড়ন হ'ব, তাৰ কোনো অৰ্থ নাই।

—জৱাহৰলাল নেহৰু

শিল্পীক্ষেত্ৰ যদিও সুকুমাৰ কলা আৰু সুকুমাৰ কলাৰ যোগেদি মানুহক আনন্দ দি জীৱনত সৌন্দৰ্য ফুলাই তুলি মানুহৰ বাস্তৱ জীৱন ধুনীয়া কৰায়েই যদিও শিল্পীৰ প্ৰথম কৰ্তব্য—তথাপি শিল্পীৰ তাৰ লগতে আৰু এটা কৰ্তব্য হৈছে জীৱনত যত অসৌন্দৰ্য, কদৰ্যতা, নিৰানন্দ, তাকো সুকুমাৰ কলাৰ যোগেদি আঁতৰাই মানৱ সমাজক তাৰ পৰা মুক্ত কৰা। সমস্ত মানৱ জীৱনকেই আনন্দময় কৰি তোলাই যেতিয়া শিল্পীৰ সাধনা—তেতিয়া শিল্পীয়ে মানৱ জীৱনৰ সকলো কথাকেই নিজৰ বিষয়বস্তু কৰি ল'ব লাগিব আৰু লয়ো।

—জ্যোতিপ্ৰসাদ আগৰৱালা

ব্যস্ততাৰ এটি মুহূৰ্ত্ত ঃ



অধ্যক্ষ শ্ৰীযতীন্দ্ৰ চন্দ্ৰ নাথ

# কবিতা

## অন্তৰঙ্গ আলাপ

—দিগন্ত কুমাৰ ৰাভা
২য় বাৰ্ষিক, স্নাতক মহলা

কলম হাতত লোৱাৰ পৰা
ভাষাৰ সতে গঢ়িলোঁ বন্ধুত্ব
কলমেই মোৰ সপোন ৰচে
ভাষা গঢ়ে
ভাষা মোৰ সঁচাকে আপোন
আনৰ হৃদয়ত বিহচল।
সন্দেহৰ বীজ ৰোপণ কৰাৰ লক্ষ্য
মোৰ ভাষাৰ নহয়
মোৰ কলমৰ ভাষাই নীৰৱতা
ভালপোৱা মানুহজনকো সৰৱ কৰে
বন্দুক-বাৰুদ কেঁচা তেজৰ গোন্ধত
বিভীষিকাময় হোৱা পৰিৱেশটো
সুবিমল কৰাৰ প্ৰচেষ্টাত দিনে-ৰাতি
যুদ্ধ কৰে মোৰ কলমৰ ভাষাই
কলমৰ ভাষাই যদি মাতি আনে
দুৰ্বিসহ জীৱন তাকো মই
আঁকোৱালি ল'ম
একুৰি পাঁচটা বসন্ত গৰকি অহা
মোৰ জীৱনৰ ভাষাই প্ৰেয়সী
এই প্ৰেয়সীৰ স'তে কৰো মই
অন্তৰঙ্গ আলাপ । ▭

## প্ৰতীক্ষা

—ৰণিত ৰাভা
২য় বাৰ্ষিক, স্নাতক মহলা

গভীৰ নিশা চাকিৰ ক্ষীণ পোহৰত
কবিতা লিখিব খুজিলেই
দুহাত মোৰ কঁপি উঠে
স্বদেশৰ বতাহত উটি ফুৰা
কিছুমান অসংলগ্ন ধ্বনি
বৈ বৈ কাণত বাজে
নিৰপৰাধ নিহত লোকৰ বুকুৰ তেজে
হৃদয়ত কঁপনি তোলে
দৰিদ্ৰ জনতাৰ অন্তহীন সংগ্ৰামৰ
ছৰিয়ে মোৰ হাতৰ কলম
স্তব্ধ কৰে
অপেক্ষা কৰিব লগীয়া হয়
এটি নিষ্কলঙ্ক ভৱিষ্যতলৈ । ▭

## গোলাপ পাহেও বিনাইছিল

—জগদীশ ৰাভা
২য় বাৰ্ষিক, উঃ মাঃ

তেওঁ গুচি যোৱাত অৰ্দ্ধপ্ৰস্ফুটিত
গোলাপ পাহেও বিনাইছিল
তেওঁ অহাত বাজি উঠিছিল
প্ৰেম ঐক্য আৰু সম্প্ৰীতিৰ
সমলয়
সুৰৰ মূৰ্ছনাত মুখৰিত হৈছিল
আকাশ-বতাহ
তেওঁ আকৌ আহিব
সময় হলেই আহিব
এতিয়াতো তেওঁ অহাৰে
সময়।

## বিতৃষ্ণা

—সবিন কুমাৰ বৈশ্য
১ম বাৰ্ষিক, স্নাতক মহলা

বিষাদে চুই যায় মোৰ মন
যেতিয়া মুখামুখি হওঁ মোৰেই
ছাটোৰ লগত
বিচাৰি ফুৰোঁ সদায় একেটি শব্দ
নাম যাৰ প্ৰেৰণা
অনিশ্চয়তাৰ এন্ধাৰে বাট আগচে
আগুৱালে অৱস হওঁ
হৃদয়খনলৈ সোমাই আহে
কেৱল দুখৰ বতৰা।

## আনুভূতিক

—দেৱীৰাম বড়ো
২য় বাৰ্ষিক, উঃ মাঃ

নিষ্পেষণৰ ভৰত কুঁজা
মানুহবোৰ পোন হ'ব
বন্দুকত হাত থৈ
চুই চাব সূৰ্য্যৰ উত্তাপ
জুখিব আকাশৰ বিশালতা
গঢ়িব এখন নতুন পৃথিৱী
সুবাসিত ফুলেৰে সজোৱা
প্ৰাণোচ্ছল হাঁহিৰে বোলোৱা।

## এখন নদী

—লক্ষীধৰ বড়ো
২য় বাৰ্ষিক, উঃ মাঃ

আশাৰ নদীত উটুৱালোঁ
জীৱন ডিঙৰা
ছন্দৰ ঢৌবোৰে পৰশিলে
হৃদয়ৰ প্ৰতিটো কোণ
মই জনা নাছিলোঁ সমুখত
ক'ৰবাত লুকাই থাকিব পাৰে
ছন্দ ভঙাৰ উত্তাল জোৱাৰ
মই ভৱা নাছিলোঁ অনিশ্চয়তাৰ
চাকনৈয়াত হেৰাব পাৰে
সাঁচতীয়া ৰঙীণ কল্পনা।

## সপোন

—সত্যশংকৰ নাথ
২য় বাৰ্ষিক, স্নাতক মহলা

গোটেই নিশা মই ব্যস্ত এক
অন্তহীন যাত্ৰাৰ পথত
ক'ৰবাত দেখিছোঁ ধূলীয়া পথ
ক'ৰবাত শিলগুটি দিয়া
ক'ৰবাত হয়তোৱা গাঁৱৰ
কেঁচা আলিবাট
চৰকাৰৰ আঁচনিত সকলোটি পকাবাট
মই গৈ আছোঁ আপোন পাহৰি
দুচকুত সেউজীয়া পাহাৰৰ
অপৰূপ ৰূপৰাশি
হঠাৎ অ' হঠাতেই বলিব লাগিব
মোৰ গাড়ী ৰখালে এক
বিচিত্ৰ মানুহৰ সমদলে
সিহঁতৰ হাতত একোখিলা কাগজ
সেইবোৰ হেনো একো একোখন
স্মাৰক পত্ৰ
বিশৃঙ্খল চিঞৰত সিহঁতে বিচাৰিছে
অন্ন, বস্ত্ৰ আৰু মানুহৰ অধিকাৰ
সাৰ পাই দেখোঁ মই বৰ ক্লান্ত। ☆

## মদাৰ

—ভূদেৱ অধিকাৰী
১ম বাৰ্ষিক, স্নাতক মহলা

সাঁচিৰখা কথাবোৰ
মনতেই ৰ'ল
পলাশৰ দুচকু পানীৰে
ভৰিল
পাপৰিৰ বুকুতো কঁপনি
উঠিল
দুপাৰত বৈ থাকিল
দুখন হৃদয় গোপনে সংগোপনে। □

# আমাক এজন অমৰ মহাত্মা লাগে

—হেমন্ত মহন্ত
১ম বাৰ্ষিক, স্নাতক মহলা

তোমাৰ মুখত আছিল মধুৰ হাঁহি
কণ্ঠত নিগৰিছিল অকৃত্ৰিম
কথাৰ সুধা
তুমি কৈছিলা আল্লা-ঈশ্বৰ
কৃত্ৰিম ভেদজ্ঞান
দুটি প্ৰাণ একেই মহান
গুজি দিব খুজিছিলা মানৱতাৰ
ফুল মানুহৰ বুকুৱে বুকুৱে
তোমাৰ অমৃত বাণীয়ে
বাট হেৰুৱালে
বালিৰ ঘৰৰ দৰে ভাঙি গ'ল
স্বপ্নৰ আবাস ভূমি
তথাপিতো তুমি আছা
আকাশে-বতাহে
কাৰণ ৰাম-ৰহিম আজিও
বন্দী অন্ধকাৰ বিশ্বাসৰ
কোঠালিত। □

# পদে পদে তৰোৱাল

—অৰুণ চন্দ্ৰ বড়ো
২য় বাৰ্ষিক, স্নাতক মহলা

[ ১ ]

গুলী-বাৰুদ বোমাৰে সজ্জিত
পেৰাত হাত থোৱাজনে গঢ়ে নিতে
অনিশ্চয়তাৰ কাঁইটীয়া পথ
অন্যায়ৰ আনন্দত বাজি উঠে
সিহঁতৰ কুটিল কণ্ঠ
নহ'বনে ইয়ো এক কলঙ্কিত
অতীত।

[ ২ ]

চকুত উজ্বলি উঠে
নিবন্ধ শ্ৰেণীহীন সমাজ
দেশে-দেশে প্ৰতিদেশে ঐক্য
শান্তি সম্প্ৰীতি
কিন্তু হায়! তাঁহি অহা শব্দত
বাজি উঠিছে মানুহেই কাঢ়ি নিয়া
সবল শিশুৰ কোকিল
কোমল মাত। ★

# মোৰ প্ৰেমৰ পুনৰ্জন্ম

– ক্ষীৰোদ কুমাৰ চৌধুৰী
১ম বাৰ্ষিক, স্নাতক মহল।

মানসী মোৰ হৃদয়ত
কৰিছিলা প্ৰৱেশ
তোমাৰ হাতত আছিল
এথোপা গোলাপ
স্বাগতম জনালোঁ। নিজকে বিলাই
এদিন তুমি হঠাতে আঁতৰি গ'লা
তোমাৰ চিনাকি অহাৰ
বাটেৰে
মনত পৰিছে নাৰ্চিমা বেগমলৈ
এদিন ময়ো আঁতৰি আহিছিলোঁ।
আমাৰ মাজত আছিল সংস্কাৰৰ
সংকীৰ্ণ দেৱাল
এতিয়া মোৰ উপলব্ধিত
নাৰ্চিমা বেগম
নেদেখা প্ৰাচীৰ ভাঙি
অধিকাৰ দিছোঁ নাৰ্চিমা
বেগমক ।

★☆

# হেঁপাহ

—জীৱেশ্বৰ পাঠক
১ম বাৰ্ষিক, স্নাতক মহল।

সময়ে সময়ে বহুতক এনেদৰেই
শৃংখলিত কৰা হৈছে যেতিয়াই
বিচাৰিছে জীৱনৰ স্বাধিকাৰ
কিন্তু তুমিতো জানাই
এই শিকলিতে লুকাই থাকে
জ্যোতিষ্মান জীৱনৰ ঐশ্বৰ্য
সিয়েই যে একমাত্ৰ প্ৰতিশ্ৰুতি
জগতক জগাই তোলাৰ
সেয়ে ঘৃণা মিহলি মুখখনো
সদ্যপ্ৰস্ফুটিত এপাহি গোলাপ
আৰু শৃংখলিত হাতদুখনো
সূৰ্যৰ মায়াৰে আবৃত
একোটি পদুম । ☆

## নতুনত্ব বিচাৰি

মঃ আবিদুৰ ৰহমান
২য় বাৰ্ষিক, উঃ মাঃ

এন্ধাৰৰ বুকু ফালি
পোহৰৰ পম খেদি
পাহুৱাল ডেকা আজি ক্লান্ত
থৰ্-থৰকৈ কঁপে ৰাংঢালী
নাচনীৰ কলিজা।
বেৰত থকা জ্যোতি বিষ্ণুই
কথা পাতে মনে মনে
অতীতৰ
বৰ্ত্তমানৰ
ভৱিষ্যতৰ
কাঁইটীয়া বনৰ মাজেৰে
বাটকুৰি বাই যায় সিহঁতে
জনতাক কথা কয়
নতুন সমাজৰ
নতুন আদৰ্শৰ। ☆

## সপোন সখী

—কুসুম কুমাৰ ডেকা
১ম বাৰ্ষিক, স্নাতক মহলা

সুন্দৰৰ স'তে মোৰ
মিঠা আলিঙ্গন
আকাশৰ জিলমিল তৰালিৰে
মিলি যাওঁ পুৱতিৰ সপোনত
আপোন বিভোৰ মনে
বিচাৰি পায় সূৰুয প্ৰকাশ
তেতিয়া মোৰ প্ৰতিটো হেঁপাহত
সৃষ্টি হয় একোটা
গীতি কবিতা
কবিতাৰ ছন্দত বাজি উঠে
আনন্দৰ কোলাহল। ★

## আকৌ পৰিলোঁ প্ৰেমত

—শিশিৰ কুমাৰ কলিতা
৩য় বাৰ্ষিক, স্নাতক মহলা

সত্য শিৱ সুন্দৰৰ পূজাভাগ
কৰোঁ বোলোতেই কাঁইটৰ
আঁচোৰত তেজৰঙা হ'ল দুহাত
ক্ষণিকৰ বাবে পৰাজিত হ'ল
অভিমানী যৌৱন মোৰ
পৰাজয়ক প্ৰত্যাহ্বান জনাই
বিজয়ৰ প্ৰত্যাশাৰে তোমাৰ প্ৰেমত
আবদ্ধ হ'ল মোৰ ব্যথিত
যৌৱন
সেয়ে এতিয়া বিচাৰিছোঁ
তোমাৰ ওচৰত আত্মগোপন কৰি
নতুন জীৱন। ☆

## শুই আছোঁ

—শান্তিৰাম ৰাভা
১ম বাৰ্ষিক, স্নাতক মহলা

মই শুই আছোঁ চাৰিবেৰৰ মাজত
চালৰ কুৱা-কামিবোৰৰ দৰেই
নিৰুদ্বেগ
ঘৰৰ চাৰিওফালে চিঞৰ-বাখৰ
বন্দুক বোমাৰ শব্দ শুনিও যেন
মই শুনা নাই
বাহিৰৰ শব্দই মেলি দিছে মনৰ মাজত
এক ভয়ানক নীৰৱতা
নীৰৱতাৰ বুকুত বাজি উঠিছে
কোনোবা নাৰীৰ আতুৰ চিঞৰ
বুকুভঙা কৰুণ বিননি
মই শুই আছোঁ চাৰিবেৰৰ মাজত
সাত ভনী ধৰ্ষিতা
জানকী গৰ্ভৱতী
আকৌ নতুন জানকীৰ জন্ম
কোনে জানে তায়ো ধৰ্ষিতা নহ'ব
হয়তো তেতিয়া সকলোৰে
শুই থাকিম। ☆

# ঠিকনা

—কল্পনা বৰুৱা
১ম বাৰ্ষিক, উঃ মাঃ

বহুদিন হ'ল আগৰ দৰে
মোৰ নামত আৰু এখনো
চিঠি নাহে
আজিকালি মই আগৰ
চুবুৰীত নাথাকোঁ
চিঠি দিয়া মানৱৰূপী
প্ৰেতাত্মাৰ কথাও পাহৰিছোঁ
এতিয়া মই এখন বেলেগ
চুবুৰীত আছোঁ
পাপ-তাপ একো নাই
তাতেই পাইছোঁ মই এক
নতুন প্ৰেম
চিঠি দিব খোজা যদি
ফাঁকিহীন মৰিশালিৰ
ঠিকনাতে দিবা
টেলিগ্ৰাম কৰিব খুজিলে
সিপাৰৰ ঠিকনাতে কৰিবা। ★

# জীৱন সংবেদ

—নিৰঞ্জন মজুমদাৰ
২য় বাৰ্ষিক, উঃ মাঃ

চিনাকি এইখন আমাৰ পৃথিৱী
ইয়াতেই বচিব পাৰি
ভতৃত্বৰ বান্ধোনেৰে নিৰ্ভেজাল
মনৰ সাঁকো
গঢ়িব পাৰি এখন সুন্দৰ সমাজ
প্ৰেমে য'ত বাট নেহেৰুৱাই
জ্ঞানদীপ্ত শিখা য'ত
বিভীষিকা নহয় আৰু য'ত
জীৱনে জীৱনৰ অমৃত
বিচাৰি পায়। ★

## ছোমালিয়া

—বাসর ঠাকুৰীয়া
১ম বাৰ্ষিক, স্নাতক মহলা

নাম তাৰ ছোমালিয়া
বুভুক্ষা আজি যাৰ লগৰীয়া
শস্য-শ্যামলা ছোমালিয়া
আজি নিঃকিন নিচলা
বিৰাজিলে শোষণ আৰু
ক্ষমতাৰ লেলিহান শিখা
পথে পথাৰে কেৱল
কঙ্কালৰ ছবি
পৃথিৱীৰ চৌদিশে বিয়পিছে
কলংকিত এই নাম
ছোমালিয়া। ☆

## কালান্তক

—মুক্তিনাথ বড়ো
২য় বাৰ্ষিক, উঃ মাঃ

কাল সন্ধিয়া কাঁচি জোনাকত
শুনিছিলো গা-শিয়ৰা
যমডাকিনীৰ মাত
শিয়ালৰ হোৱা
এতিয়া আঁউসী ৰাতি
মৰিশালিৰ নীৰৱতাত
আৰম্ভ হৈছে ভূত-প্ৰেতৰ
প্ৰলয় নৃত্য
কাণতালমৰা হাঁহি
এফালৰ পৰা কুৰুকি খোৱাৰ
কদাকাৰ মূৰ্ত্তি। ☆

# নীৰৱ বেদনা

—বিপুল বৈশ্য
১ম বাৰ্ষিক, স্নাতক মহলা

তুমি কাহিলি পুৱাতে আহিছিলা
তেতিয়া মই বেবৰ জোলোঙাৰে
তোমালৈ চাই আছিলো
শুনিছিলা কোনো অসহায়
কেঁচুৱাৰ কান্দোন আৰু
উৰলি যোৱা পঁজাৰ মাজত
বুভুক্ষু কৃষকৰ প্ৰাণৰ
কাতৰ
তুমি যেতিয়া সৃষ্টিৰ ক্লেদৰ
মাজৰে আঁতৰি গৈছিলা
মোৰ বুকুখন খুব
বিষাইছিল। ★

# যাত্ৰী

—দীপক কলিতা
২য় বাৰ্ষিক, উঃ মাঃ

যাত্ৰা তাৰ অবিৰত
ৰক্তাক্ত গেৰুৱাৰে সি
ৰাজআলিৰ ওপৰত
খোজ কাঢ়ি যায়
জিৰণিৰ অৱকাশ বিচাৰি
নাপায়
বাৰে বাৰে তাক আঘাত
কৰা হয় মৃত্যুৰ ভাবুকিৰে
নিৰ্ভীক বুকুখন তাৰ
বিশ্বাসী নিলয়
অপেক্ষা কৰে সূৰ্যোদয়ক। ★

# অম্লান আলিঙ্গন

—বসন্ত কুমাৰ দত্ত
মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ

দিন বাৰ অথবা শুভলগ্নৰ
জঞ্জাল আঁতৰাই কেতিয়া
কেনেকৈ ওলালো অবিৰত
যাত্ৰাৰ পথত গমকে
নেপালো
বুকুৰ ভিতৰৰ হেঁপাহৰ এমুঠি
নীলাই চাই গ'ল উদঙীয়া
ফাগুনৰ পথৰুৱা পথৰ
পাঞ্চালী
চাই গ'ল ব'হাগৰ বৰ্ণাঢ্য
বৈভৱ আৰু শৰতৰ সেউজী
সুৰভি
চুই গ'ল আকাশ বতাহ
নাইবা সাগৰৰ সীমাহীন
বিশালতা
যাত্ৰাৰ পথত লয়লাস নাচনীৰ
নূপুৰৰ ৰুণুজুনুত সাৰ পালে
আলফুলে সাঁচি ৰখা সুৰাগী
তাড়না
সি বিচাৰিলে কাৰোবাৰ ভাল লগা
বহুতৰ বেয়া লগা এক
কোমল কঠিন শৃঙ্খল
কেনেকৈ যে সময় সৰিল
মই দেখো বুজিও নুবুজিলো
উভতি চাই দেখিলো মোৰ
হেঁপাহৰ এমুঠি প্ৰগল্ভ নীলা
ৰৈ আছে তোমাৰ অভিজাত
অম্লান আলিঙ্গনত ।

—:★:—

# প্ৰবন্ধ

## বিনষ্ট প্ৰাকৃতিক ভাৰসাম্যতা আৰু ভূমি সম্পদ সংৰক্ষণ

—চন্দন ঠাকুৰীয়া
২য় বাৰ্ষিক, স্নাতক মহলা

ভাৰতীয় সমাজত হাবি-বননি আৰু নদীক পৱিত্ৰ ক্ষেত্ৰ বুলি আখ্যা দিয়া হৈছে। ইয়াৰ উদাহৰণ পুৰণি মহাকাব্যত উল্লেখ থকা বৃন্দাবন, নন্দাবন, সুন্দৰবন, অশোকবন, তপোবন আদিৰ পৰা পোৱা যায়। এই পৱিত্ৰ নিৰিবিলি হাবি-বননিৰ লগত আদিম হিন্দু সমাজৰ সামাজিক তথা সাংস্কৃতিক জীৱন সাঙোৰ খাই আছিল। অগ্নিপুৰাণত উল্লেখ আছে যে যিজনে সামাজিক কল্যাণৰ বাবে গছপুলি ৰোৱে তেওঁক ভগবানেও আশীৰ্বাদ দিয়ে। পুৰণি কালত অৰ্থাৎ আজিৰ পৰা প্ৰায় ২০০০ হাজাৰ বছৰৰ পূৰ্বে ৰাজৰ্ষি অশোকে প্ৰজাহিতৰ বাবে গছপুলি ৰোৱা আৰু সংৰক্ষণ কৰাৰ উদাহৰণ ইতিহাসত পোৱা যায়। আদিম সমাজে হাবি-বননিক চিকাৰ আৰু ধৰ্মীয় উপাসনাৰ তথা চিন্তা-চৰ্চাৰ কেন্দ্ৰস্থল হিচাপে গণ্য কৰিছিল। সম্ৰাট আকবৰে গছপুলি ৰোপণ আৰু সংৰক্ষণৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়াৰ উদাহৰণো প্ৰাচীন বুৰঞ্জী পুথিত পোৱা যায়। তেওঁ পৰিকল্পিতভাৱে গছপুলি ৰোপণৰ অভ্যাস গঢ়াৰ ওপৰতো গুৰুত্ব দিছিল। পাশ্চাত্য সভ্যতাৰ অন্তৰ্গত বহুতো দেশে হাবি-বননিক এতিয়াও কৃষিৰ সমান বুলি গণ্য কৰে।

গছ-গছনি পৃথিৱীৰ প্ৰত্যেক অঞ্চলতে কম-বেছি পৰিমাণে আছে যদিও বৰ্ত্তমান প্ৰাকৃতিক ভাৰসাম্যহীনতা এক আন্তৰাষ্ট্ৰীয় সমস্যা হিচাপে বিশ্বৰ দেশসমূহৰ আগত দেখা দিছে। এই সমস্যা সমাধানৰ বাবে ১৯৯২ চনৰ ৪ জুন তাৰিখে পৃথিৱীৰ ১৭৮খন দেশৰ পৰিৱেশ বিজ্ঞানী আৰু উচ্চপদস্থ বিষয়াসকলে ব্ৰাজিলৰ ৰিঅ'দি জেনেৰ'ত এখন আলোচনী সভা অনুষ্ঠিত কৰি পৃথিৱীৰ বিভিন্ন ৰাষ্ট্ৰৰ প্ৰাকৃতিক ভাৰসাম্যতা ৰক্ষাৰ হেতু কিছুমান উপায় উদ্‌ভাৱন কৰে। ১৯৮১ চনত প্ৰয়াত প্ৰাক্তন প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীয়েও কেন্দ্ৰীয় বন-বিভাগৰ বাৰ্ষিক অধিবেশনত ভাৰতৰ বনাঞ্চলৰ পৰিমাণ বৃদ্ধি কৰিবলৈ দেশৰ সমূহ জন-সাধাৰণক আহ্বান জনাইছিল। পৰিৱেশ বিজ্ঞানী-সকলৰ মতে অদূৰ ভৱিষ্যতে মানুহে ভোকত মৃত্যু বৰণ নকৰিব পাৰে, কিন্তু প্ৰাকৃতিক ভাৰসাম্যতা বিনষ্ট হোৱাৰ বাবে যে মৃত্যু বৰণ কৰিব সি চিৰসত্য। কাৰণ অধে-মধে গছ-গছনি কটাৰ ফলত প্ৰাকৃতিক ভাৰসাম্যতা দিনে দিনে বিনষ্ট হ'বলৈ ধৰিছে। বায়ুমণ্ডলৰ প্ৰদূষণ উদ্ভিদৰ সহায়ত দূৰ নকৰিলে মানৱ সমাজৰ গত্যন্তৰ নাই। ভাৰত চৰকাৰে স্বাধীনতাৰ পিছতে ১৯৯২ চনত নতুন বন-নীতি ঘোষণা কৰিছে। চৰকাৰে বৰ্ত্তমান নতুনকৈ গছ-গছনি ৰোৱা আৰু ৰক্ষণাবেক্ষণ

দিবৰ বাবে "সামাজিক বনানিকৰণ" নামৰ বিভাগ এটাও খুলিছে।

সকলোবোৰ ভূমি সম্পদৰ ভিতৰত বনাঞ্চলৰ অৰিহণাকেই বেছি গুৰুত্ব দিয়া হয়। কাৰণ পৰিৱেশ বিজ্ঞানীসকলৰ মতে প্ৰাকৃতিক ভাৰসাম্যতা ৰক্ষা কৰিবলৈ দেশৰ মুঠ ভৌগোলিক কালিৰ শতকৰা ৩৩ ভাগ সেউজীয়া বনাঞ্চলৰ প্ৰয়োজন। ভাৰতবৰ্ষত এনে ভূমিৰ পৰিমাণ শতকৰা ২৩ ভাগ মানহে দেখা যায়। তদুপৰি কৃত্ৰিম উপগ্ৰহৰ দ্বাৰা দেখুওৱা ছবিয়ে শতকৰা মাত্ৰ ১৯ ভাগ মান বুলিহে প্ৰমাণ দাঙি ধৰে। প্ৰকৃততে ইয়াৰ পৰিমাণ দিনক দিনে আৰু কমিবলৈহে লৈছে।

পৰিৱেশ বিনষ্ট কৰাৰ ক্ষেত্ৰত মানুহৰ হস্তক্ষেপ আটাইতকৈ বেছি। মানুহৰ দ্বাৰা সাধিত হোৱা এই বিনষ্টৰ কাৰণ বহুতো। ইয়াৰ ভিতৰত জনসংখ্যা বৃদ্ধি আৰু বিজ্ঞান আৰু প্ৰযুক্তি বিজ্ঞানৰ ফলত উদ্ভৱ হোৱা শিল্প উদ্যোগেই প্ৰধান। বৰ্ত্তমান পৃথিৱীত প্ৰতি বছৰে ৫-৬ কোটিকৈ জনসংখ্যা বাঢ়ি গৈ আছে। ভাৰতৰ নিচিনা দুখীয়া দেশ এখনতেই প্ৰতি বছৰে প্ৰায় ১.৫ কোটিকৈ জনসংখ্যা বাঢ়ি আছে। ইয়াৰ ফলত নিবনুৱা সমস্যা আৰু খাদ্য সমস্যা বাঢ়ি গৈ আছে। গতিকে পৰিৱেশ বিনষ্ট কৰি হ'লেও অন্ন-বস্ত্ৰ-গৃহৰ যোগাৰ নকৰিলে বহুতৰে অন্য উপায় নোহোৱা হৈছে। দিনে দিনে বাঢ়ি অহা জনসংখ্যাৰ ফলত বনাঞ্চল ধ্বংস কৰি কৃষিভূমি বৃদ্ধি কৰিবলগীয়া হৈছে। এনেকুৱা বহুতো উদাহৰণো আমাৰ সমুখত দেখিবলৈ পাওঁ। পৃথিৱীৰ বিভিন্ন দেশত নানান শিল্প উদ্যোগৰ নিৰ্গত দূষিত বাষ্পই পৰিৱেশ দূষিত কৰিছে। ফলস্বৰূপে নিৰ্মল বায়ু, পানী আনকি মুকলি ঠায়ো দুষ্প্ৰাপ্য হৈ পৰিছে।

পৰিৱেশ নষ্ট হ'লে যে মানৱ জাতিৰ ধ্বংস অনিবাৰ্য সেই কথাটো বৰ্ত্তমান চৰকাৰ আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে উপলব্ধি কৰা উপলক্ষিত হৈছে। ফলস্বৰূপে চৰকাৰী পৃষ্ঠপোষকতাত অথবা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৃষ্ঠপোষকতাত পৰিৱেশ বিজ্ঞানীসকলে পৰিৱেশ সম্পৰ্কে নকৈ গভীৰ অধ্যয়ন আৰম্ভ কৰিছে। এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে বনাঞ্চল ধ্বংস হোৱাৰ বাবে প্ৰতি বছৰে ধৰাপৃষ্ঠৰ প্ৰায় ২ নিযুত হেক্টৰ মাটি মৰুভূমিলৈ ৰূপান্তৰ হৈ আহিছে। বৰ্ত্তমান বন বিভাগত চাকৰি কৰা সকলৰ কিছুমানেও ব্যক্তিগত স্বাৰ্থ পূৰণ কৰিবলৈ বন সম্পদৰ ধ্বংসত লিপ্ত হ'বলৈ আৰম্ভ কৰিছে। ইয়াৰ ধ্বংসৰ কুফল যে সুদূৰ প্ৰসাৰী তাক বঢ়াই কোৱাৰ প্ৰয়োজন নাই। কৃষি কাৰ্যৰ উৎপাদন বৃদ্ধিৰ বাবে ব্যৱহাৰ হোৱা কৃত্ৰিম সাৰ, ৰাসায়নিক দৰৱ আদিয়ে বায়ুমণ্ডলৰ প্ৰদূষণ ঘটাইছে আৰু ইয়াৰ প্ৰভাৱ গছ-গছনিৰ ওপৰতো নপৰাকৈ থকা নাই। ফলত এচাম উদ্ভিদ, কালৰ কৰাল গ্ৰাসত পৰি নিচিহ্ন হৈ আহিবলৈ ধৰিছে। ইয়াৰ ফলত পৰিৱেশৰ ভাৰসাম্যতা বিনষ্ট হোৱাৰ আশংকাই দেখা দিছে।

ভূমি সম্পদেই হ'ল প্ৰত্যেক দেশৰ অতিকৈ গুৰুত্বপূৰ্ণ প্ৰয়োজনীয় তথা মূল্যবান প্ৰাকৃতিক সম্পদ। দেশৰ জনসাধাৰণৰ অৰ্থনৈতিক উন্নতিৰ